# 2024

## ASSAMESE

## ( MIL Communication )

Paper : ASM–AE–1014

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) প্ৰথম অসমীয়া ছপা গ্ৰন্থখনৰ নাম লিখা।

(খ) ইউনিক'ড কি?

(গ) 'হেমকোষ' কোন চনত প্ৰকাশ হৈছিল?

(ঘ) কম্পিউটাৰ-উপযোগী এখন অসমীয়া ছফ্‌ট্‌ৱেৰ অভিধানৰ নাম লিখা।

(ঙ) 'জ্যোতি দ্বিভাষিক অভিধান'খন কোনে প্ৰণয়ন কৰিছে?

(চ) আখৰ বুলিলে কি বুজা?

(ছ) অসমীয়া ভাষাত দন্ত্য ধ্বনি আছেনে?

(জ) DTP-ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(ঝ) আবেদনপত্ৰৰ কাম কি?

(ঞ) অসমীয়া আখৰ লিখিব পৰা এটা ফন্টৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষা লিখিব পৰা দুটা ছফ্‌ট্‌ৱেৰৰ নাম লিখা।

(খ) মোবাইল ফোনত অসমীয়া লিখিব পৰা দুখন কী-বৰ্ডৰ নাম লিখা।

(গ) বিজ্ঞাপন কি? বুজাই লিখা।

(ঘ) 'অ' আখৰটোৱে বুজোৱা ধ্বনি দুটা কি কি? উদাহৰণ দিয়া।

(ঙ) 'অতল' আৰু 'অটল'—শব্দ দুটাৰ অৰ্থ লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সামাজিক মাধ্যমত অসমীয়া ভাষা

(খ) ভাল কথনত উচ্চাৰণৰ ভূমিকা

(গ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ

(ঘ) অসমীয়া ভাষাৰ মুদ্ৰণ ব্যৱস্থাত মিছনেৰীসকলৰ ভূমিকা

(ঙ) টুইটাৰ

(চ) শাৰীৰিক ভাষা (Body Language)

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) যতি চিহ্ন কি? সুৰলহৰৰ লগত যতি চিহ্নৰ সম্বন্ধ কি? অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বিভিন্ন যতি চিহ্নবোৰৰ প্ৰয়োগ দেখুওৱা।

(খ) তুমি থলুৱাভাৱে প্ৰস্তুত কৰা বস্ত্ৰৰ এখন বিপণী খুলিছা। তাৰ প্ৰচাৰৰ বাবে ছপা মাধ্যমত দিবলৈ এটি বিজ্ঞাপন প্ৰস্তুত কৰা।

(গ) মহাবিদ্যালয়ৰ আলোচনী ছপা কৰিবৰ বাবে নিবিদা আহ্বান কৰা বিজ্ঞাপনৰ এটি নমুনা প্ৰস্তুত কৰা।

(ঘ) কম্পিউটাৰৰ ব্যৱহাৰে অসমীয়া ভাষাৰ সমৃদ্ধিত কেনেকৈ সহায় কৰিছে, আলোচনা কৰা।

(ঙ) তোমাৰ অঞ্চলৰ জৰাজীৰ্ণ পথটো পকীকৰণৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ বিধায়কলৈ এখন আবেদনপত্ৰ লিখা।

(চ) বিজ্ঞাপনক কিদৰে শ্ৰেণীবিভাগ কৰিব পাৰি, দেখুৱাই প্ৰধান ভাগবোৰৰ বিষয়ে চমুকৈ লিখা।

(ছ) আনুষ্ঠানিক কথনৰ বাবে কি কি গুণৰ প্ৰয়োজন, আলোচনা কৰা।

(জ) সামাজিক মাধ্যমৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ আলোচনা কৰা।

★★★